# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 15-04-2024
**Time :** 18-00 Hrs

## *Assamese Evening Bulletin*

::::::::::::::::::::::::::::::::::::::::

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অসমতো বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে কাইলৈ সন্ধিয়া গুৱাহাটীত উপস্থিত হ'ব। বৰঝাৰ বিমান বন্দৰত প্ৰধানমন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মীসকলৰ লগতে ৰাইজে আদৰণি জনাব। বিমান বন্দৰৰ পৰা পোনে পোনে তেওঁ কইনাধৰালৈ ৰাওনা হ'ব। শ্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰধানমন্ত্ৰীৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ কেইবাটাও পথত বাণিজ্যিক যান-বাহন চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তেওঁ পৰহিলৈ বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অহা ১৮ এপ্ৰিলত কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা। তেওঁ বিজেপি মিত্ৰজোঁটৰ ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

আনহাতে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কাইলৈ যোৰহাটত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা। তেওঁ যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ তিতাবৰৰ পৰা যোৰহাটলৈ পদযাত্ৰাত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাব। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে যোৰহাট আৰু ডিব্ৰুগড়ৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

ইপিনে ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি মাকুমত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। শ্ৰীসোণোৱালে ডিগবৈৰ বৰবিল হনুমান মন্দিৰৰ পৰা গান্ধী ময়দানলৈ এটা পদযাত্ৰাতো অংশ লয়। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ আজি হোজাইৰ লামডিঙত এখন জনসভাত অংশগ্ৰহণ কৰে।

আনহাতে, কংগ্ৰেছ তথা বিৰোধী দলৰ প্ৰাৰ্থীসকলেও নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। যোৰহাট সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি তিতাবৰত নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০

লোকসভা নিৰ্বাচনৰ ৭৫ বছৰীয়া ইতিহাসত বিধি বলৱৎকাৰী সংস্থাসমূহে এইবাৰ অভিলেখ পৰিমাণৰ ধন জব্দ কৰিছে। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে সংস্থাসমূহে যোৱা ১ মাৰ্চৰ পৰা প্ৰতিদিনে এশ কোটি টকা জব্দ কৰিছে। দেশৰ নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি বিধি বলৱৎকাৰী সংস্থাসমূহে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ পূৰ্বে এই পৰ্যন্ত দেশত ৪ হাজাৰ ৬৫০ কোটি টকাতকৈ অধিক মূল্যৰ সামগ্ৰী জব্দ কৰিবলৈ সমৰ্থ হৈছে। তথ্য অনুসৰি ৩৯৫ কোটিৰো অধিক ধনৰ লগতে ৪ হাজাৰ ৮৯ কোটি টকা মূল্যৰ সুৰা জব্দ কৰা হৈছে। ইয়াৰ লগতে ৫৬২ কোটি টকা মূল্যৰ সোণ আৰু এহেজাৰ ১৪২ কোটি টকা মূল্যৰ অন্যান্য সামগ্ৰী জব্দ কৰা হৈছে।

উল্লেখযোগ্য যে ২০১৯ চনৰ নিৰ্বাচনৰ সময়ত আয়োগে ৩ হাজাৰ ৪৭৫ কোটি মূল্যৰ সামগ্ৰী জব্দ কৰিছিল। আয়োগে প্ৰকাশ কৰা মতে অবৈধ ধনৰ বিৰুদ্ধে আয়োগৰ স্থিতি পৰৱৰ্তী সময়তো কঠোৰ হৈ থাকিব আৰু অভিযান অব্যাহত থাকিব।

০০০০

সাদিনীয়া ৰঙালী বিহুৰ তৃতীয় দিনটো আজি ৰাইজে পৰম্পৰাগতভাৱে গোসাঁই বিহু হিচাপে পালন কৰিছে। সেই অনুসৰি অসমৰ ৰাইজে ৰাজহুৱা নামঘৰ, সত্ৰ আদিত নাম-প্ৰসংগ কৰে। ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে।

ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই আজি গণেশগুৰি ৰঙালী বিহু সন্মিলনত অংশগ্ৰহণ কৰিব। ৰাজ্যপালগৰাকীয়ে ভাষণ আগবঢ়োৱাৰ পাছত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বেলতলাকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে।

আনহাতে, শিৱসাগৰৰ তলাতল ঘৰ প্ৰাংগনত মুকলি বিহু অনুষ্ঠিত হৈছে। বিহুৰ সৈতে সংগতি ৰাখি কণী যুঁজ, বিহু হুঁচৰীৰ লগতে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত শিৱসাগৰ নগৰত বৰ্ডিং খেলপথাৰত মুকলি বিহু অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিহু হুঁচৰীৰ লগতে কেইবাটাও সাংস্কৃতিক দলে জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ